সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙীলী বাৰ্ত্তা

২৮ বছৰ, ৪২ সংখ্যা, ৬ কাতি , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 42 * Date Of Publication - 24 October 2021 Rs.5.00/-

## ১০০ কোটি ক'ভিড ভেকচনিৰ ড'জ প্ৰদান কৰি ইতিহাস ভাৰতৰ



ৰঙীলী বাৰ্ত্তাসেৱা — ভাৰতে ক'ভিড ভেকচিনৰ ড'জ প্ৰদান কৰি ৰচিলে ইতিহাস। যক্ষ্মা ৰোগৰ ১০০ কোটি ভেকচিন দিবলৈ ৩২ বছৰ আৰু পলিঅ'ৰ ভেকচিন দিবলৈ দেশক ২০ বছৰ লাগিছিল। যিহেতু ক'ভিড-১৯ টিকাকৰণে ১০০ কোটিৰ অধিক ভেকচিন মাত্ৰ ২৮১ দিনৰ ভিতৰতে প্ৰদান কৰে। ক'ভিড-১৯ টিকাকৰণে এই কৃতিত্ব দেশৰ বাবে অতি গুৰুত্বপূৰ্ণ। অভিলেখ গঢ়াৰ পাছতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে টুইটযোগে কয়- ভাৰতে ৰচিলে ইতিহাস। ভাৰতীয় বিজ্ঞান, উদ্যোগ আৰু ১৩০ কোটি ভাৰতীয়ৰ সংগৃহীত উদ্যমৰ বিজয়োল্লাসৰ আমি সাক্ষ্য হৈছোঁ। অভিনন্দন ভাৰত ১০০ কোটি টিকাকৰণৰ বাবে। আমাৰ চিকিৎসক-নাৰ্ছ আৰু যিসকলে এই মাইলৰ খুঁটি গঢ়াত কঠোৰ পৰিশ্ৰম কৰিলে, সেইসকলক কৃতজ্ঞতা। ঘাতক ক'ভিড-১৯এ সংহাৰী ৰূপ লৈ জনজীৱন বিধ্বস্ত কৰাৰ লগতে অৰ্থনীতিও বিধ্বস্ত কৰাৰ সময়তে ভাৰতীয় বিজ্ঞানীয়ে ক'ভিড-১৯ৰ ভেকচিন থলুৱাভাৱে বিকশিত কৰি পিছুলৈ সেই ক'ভিড ভেকচিন দেশবাসীক প্ৰদান কৰাৰ সুবিধা কৰি দিয়ে। যোৱা ১৬ জানুৱাৰীৰ পৰা পৰ্যায়ক্ৰমে ক'ভিড-১৯ টিকাকৰণ অভিযান আৰম্ভ হৈ পিছুলৈ ক্ষিপ্ৰতৰ হৈ ২৮১ দিনৰ ভিতৰত ১০০ কোটি ক'ভিড ভেকচিন ড'জ প্ৰদান কৰি এক অভিলেখ গঢ়িলে। ১৩০ কোটি মুঠ জনসংখ্যাৰ ভিতৰত ৩০ কোটি লোকক সম্পূৰ্ণ টিকাকৰণ কৰা হৈছে। ক'ভিড প্ৰতিৰোধী ভেকচিন ৯ ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ এশ শতাংশ লোকক প্ৰদান কৰা হৈছে। আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, চণ্ডীগড়, গোৱা, হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ, লাক্ষাদ্বীপ, ছিকিম, উত্তৰাখণ্ড আৰু দাদা-নগৰ হাভেলিৰ প্ৰতিগৰাকী লোকক অতি কমেও এটাকৈ ভেকচিন ড'জ প্ৰদান কৰা হৈছে। ভেকচিনৰ ড'জ প্ৰদান কৰা ৫ শীৰ্ষ ৰাজ্যৰ ভিতৰত আছে উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, পশ্চিমবংগ, গুজৰাট আৰু মধ্যপ্ৰদেশ ।

## সম্পাদকীয়ঃ নিৰৱ ঘাটক

একবিংশ শতিকাৰ ৰূপ আৰু গুণেৰে সমৃদ্ধ অসমৰ খনত কি হৈছে বাৰু ?তাহানিৰ ভুপেন হাজৰিকাদেৱৰ কণ্ঠত নিগৰীত হোৱা 'অসম আমাৰ ৰূপহী গুণৰো নাই শেষ' সচাঁকৈয়ে আমাৰ ৰূপ আৰু গুণেৰে সমৃদ্ধ হৈ থকা অসমখন ভৱিষ্যতলৈকে এইদৰেই থাকিবনে বাৰু ?আমি আমাৰ অসমখনক সোণৰ অসম হিচাপে ধৰি ৰাখিব পাৰিমনে ?শংকা হয় আমাৰ সোণৰ অসমখনত দেখোন অপৰাধীয়ে চানি ধৰিছে উচ্চ আকাংক্ষাৰ দৌৰত নতুবা ধনবান হোৱৰ আকুল হেঁপাহত যিকোনো ব্যৱসায়ত নামি পৰিবলৈ যেন অকনো দ্বিধাবোধ নকৰে।বৰ্তমানৰ তেনে অপৰাধী হ'ল ড্ৰাগছৰ লগত জঞ্জতি ব্যৱসায়ীসকল।মানৰ সম্পদ ধ্বংসৰ নেপথ্যত এই অপৰাধী সকলে আজিৰ দিনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।ড্ৰাগছ যিটো শব্দ লিখিবলৈও মোৰ আঙুলি কঁপে, তেনেকুৱা এটা ব্যৱসায় কৰি ধনী হোৱাৰ সপোন দেখা সকল সচাঁই এখন দেশৰ অৰ্থনৈতিক উন্নয়নৰ প্ৰত্যাহ্বান।ড্ৰাগছ কেৱল এক সামাজিক ব্যাধিয়ে নহয় ইয়াৰ পৰিসৰ বহুত বহল।নৰপ্ৰজন্মক ধ্বংস ৰ কৰাল গ্ৰাসত সোমোৱাই দিয়া ড্ৰাগছে সামাজিক, অৰ্থনৈতিক, মনস্তাত্বিক সকলো ক্ষেত্ৰতে প্ৰভাৱ বিস্তাৰ কৰিছে।একো একোটা পৰিয়াল শেষ কৰি পেলাইছে।বলিউড, কিংখান আদি পৰিয়ালকো ড্ৰাগছে এৰি দিয়া নাই।তাৰোপৰি এই ড্ৰাগছ ৰ বেজী গ্ৰহণ কৰা সকলে এইচ আই ভি !এইডছৰ দৰে মহামাৰী বিয়পোৱাতো এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে।

শাসনভাৰ লোৱাৰ পিছৰ পৰা ড্ৰাগছৰ বিৰুদ্ধে আমাৰঞ্জ দ্বাৰ মুখ্যমন্ত্ৰী গৰাকীয়ে লোৱা পদক্ষেপ সচাঁই প্ৰশংসনীয়।তেখেতৰ এই পদক্ষেপ যাতে দীৰ্ঘম্যাদী হওঁক।ড্ৰাগছ আসক্ত পৰিয়ালবোৰলৈ যাতে আশাৰ ৰেঙনি কঞ্জয়িাই আনক।এইক্ষেত্ৰত কেৱল চৰকাৰে লোৱা পদক্ষেপলৈ আশা নকৰি আমি সকলো সমাজ সচেতন ব্যক্তিসকলেও ইয়াৰ বিৰুদ্ধে যুঁজ দিবলৈ আগবাঢ়ি আহি আমাৰ দেশখনক ড্ৰাগছৰ কবলৰ পৰা উদ্ধাৰ কৰো আহক।

## ৰেচন দোকানীলৈ মুখ্যমন্ত্ৰীৰ সকীয়নি



ৰঙীলী বাৰ্ত্তাসেৱা — দুখীয়া ৰাইজৰ ৰেচনৰ চাউল কাঢ়িবলৈ আৰম্ভ কৰিছে একাংশ সুলভ মূল্যৰ দোকানীয়ে। সুলভ মূল্যৰ দোকানীৰ এনে অতপালিক লৈ ক্ষুব্ধ হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গোসাঁইগাঁৱত নিৰ্বাচনী সভাত যোগানমন্ত্ৰী ৰঞ্জিত কুমাৰ দাসক কাষত বহুৱাই স্পষ্ট সকীয়নি দি দুখীয়াৰ চাউল কাঢ়ি খোৱা ৰেচন দোকানীক একেদিনাই মই জে'লত ভৰাম বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে দীৰ্ঘসময়ৰ পৰা এই অভিযোগ পাই আহিছোঁ যে ৰেচনৰ দোকানীয়ে পৰিয়ালসমূহক সম্পূৰ্ণ চাউল নিদিয়ে। চাউল চুৰি আৰু ডকাইতি একেই। যিসকল দোকানীয়ে এতিয়াৰে পৰা প্ৰতিটো পৰিয়ালক সঠিক পৰিমাণৰ চাউল নিদিয়ে, তেওঁলোকৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে এই সকীয়নি দিয়ে। ইতিমধ্যে ৰাজ্যৰ ভিন্ন প্ৰান্তত ক্ষোভৰ উদ্‌গীৰণ ঘটিছে। পৰিবহণ ব্যয়ৰ অজুহাত দেখুৱাই এনেদৰে প্ৰতিটো পৰিয়ালৰ পৰা নিৰ্দিষ্ট পৰিমাণৰ চাউল কাঢ়ি মুনাফা আদায় কৰি থকা ৰেচন দোকানীৰ বিৰুদ্ধে বিষয়টো সন্দৰ্ভত যোগান বিভাগৰ ওচৰতো অভিযোগ দাখিল হৈছে যদিও সুলভ মূল্যৰ দোকানীয়ে বিভিন্ন সুৰুঙা তথা অজুহাতেৰে বিষয়টো ঢাকি ৰাখি আহিছে।

## ৰাজ্যত বাঢ়িছে ক'ভিডত আক্ৰান্তৰ সংখ্যা, আকৌ হ'ব নেকি লকডাউন ?

ৰঙীলী বাৰ্ত্তাসেৱা- ৰাজ্যত শেহতীয়াকৈ পুনৰ বহুতো লোক নতুনকৈ ক'ভিডত আক্ৰান্ত হোৱাত পুনৰ চিন্তিত হৈ পৰিছে ৰাজ্য চৰকাৰ। শাৰদীয় দুৰ্গা পূজাৰ পাছতেই বহুজন আকৌ আক্ৰান্ত হৈছে ক'ভিডত। প্ৰতিদিনেই ক'ভিডত আক্ৰান্ত হোৱা লোকৰ মৃত্যুৰ খবৰো আহিছে। দুৰ্গা পূজাৰ পাছত ৰাজ্যত বাঢ়িছে ক'ভিডত আক্ৰান্তৰ সংখ্যা। সপ্তমী, অষ্টমীত অসমত ক'ভিডৰ পজিটিভিটী হাৰ প্ৰায় দুগুণ বৃদ্ধি পাইছিল। ইয়াকে লৈ ৰাজ্য চৰকাৰে কালি গুৰুত্বপূৰ্ণ আলোচনাত ভাগ লয়। ক'ভিড পৰিস্থিতিৰ ওপৰত আলোচনা কৰা হ'ব আৰু ৭ দিনৰ ভিতৰত চৰকাৰে এই বিষয়ে কঠোৰ সিদ্ধান্ত ল'ব।

# অসমীয়া ভাষাৰ অপমানৰ প্ৰতিবাদত হাইলাকান্দি জিলা জাতীয় পৰিষদৰ ধৰ্ণা

ৰঙিলী বাৰ্ত্তাসেৱা- শিলচৰত দুষ্কৃতিকাৰীয়ে অসমীয়া ভাষাৰ চাইনবোৰ্ডত ক'লা ৰং সানি অসমীয়া ভাষা আৰু জাতিক অপমান কৰা দুষ্কাৰ্যৰ প্ৰতিবাদত অসম জাতীয় পৰিষদৰ হাইলাকান্দি জিলা সমিতিয়ে হাইলাকান্দি চহৰৰ ৰবীন্দ্ৰ ভৱনৰ সন্মুখত ধৰ্ণা কাৰ্যসূচী ৰূপায়ন কৰে। দলৰ হাইলাকান্দি জিলা সমিতিৰ সভাপতি চাৰোৱাৰ হুদা চৌধুৰীৰ নেতৃত্বত দলৰ কৰ্মীসকলে 'বি ডি ৱাই এফ মুৰ্দ্দাবাদ', 'অসমীয়া ভাষাৰ ওপৰত আক্ৰমণ নামানো', 'অসমীয়া ভাষা জিন্দাবাদ','ভাষাৰ নামত বিভেদ নচলিব' আদি শ্লোগান দিয়ে। প্ৰতিবাদকাৰীসকলে অসমীয়া ভাষা বিদ্বেষী লোকসকলৰ বিৰুদ্ধে আৰু অসমীয়া ভাষাৰ সপক্ষে লিখা প্লে' কাৰ্ড প্ৰদৰ্শন কৰে। জিলা সভাপতি চৌধুৰীয়ে প্ৰতিবাদকাৰীসকলক সম্বোধন কৰি কয় যে শাসক দল বিজেপি আৰু আৰ এছ এছৰ লগত সম্পৰ্ক থকা কিছু লোকে শিলচৰৰ ঘটনাটো সংঘটিত কৰাৰ তথ্য পোহৰলৈ অহাৰ পাছত ঘটনাকাৰীসকলৰ আচল উদ্দেশ্য কি আৰু সেয়া কাৰ পৃষ্ঠপোষকতাত সংঘটিত হৈছে, সেই কথা কাৰো বুজিবলৈ বাকী নাই। এইসকলে সদায় ধৰ্ম, ভাষা, জাতি, সম্প্ৰদায়ৰ নামত সমাজখনক বিভাজিত কৰাৰ চেষ্টা চলাই থাকে। বৰাকৰ বাংলাভাষী সাধাৰণ ৰাইজৰ অসমীয়া জাতি আৰু ভাষাৰ সৈতে কোনো সংঘাত নাই। অৱশ্যে নাগৰিকত্ব সংশোধনী আইন (কা) প্ৰৱৰ্তনৰ ফলত যে উগ্ৰ ভাষা বিদ্বেষীসকল উৎসাহিত হৈছে, সেই কথাও শিলচৰৰ ঘটনাই প্ৰমাণ কৰে বুলি চৌধুৰীয়ে মত প্ৰকাশ কৰে। তেওঁ কয় যে ভাষাৰ নামত বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজত বিভেদ সৃষ্টি হ'বলৈ দিয়া নহ'ব আৰু অসম জাতীয় পৰিষদে তেনে বিভেদকামী শক্তিৰ বিৰোধিতা কৰি যাব।

# চিৰ আধুনিক শ্ৰীমন্ত শঙ্কৰদেৱ

লক্ষ্যধৰ দাস



"...তোমাৰ জীৱনী দেৱ লিখে এনে সাধ্য কাৰ,
গোটেই অসম ভূমি বিস্তৃত জীৱনী যাৰ।
অসমৰ ৰীতি-নীতি অসমৰ সদাচাৰ
অসমৰ ধৰ্মভাৱ অসমৰ ব্যৱহাৰ
সকলোকে তুমি দেৱ সজালা নতুন সাজে
তোমাক গৰিমা গীতি হৃদয়ে হৃদয়ে বাজে... ।"

'শ্ৰীশ্ৰী শঙ্কৰদেৱ' কবি - যতীন্দ্ৰনাথ দুৱৰা

প্ৰকৃত একাত্ম মানৱতাবাদৰ সৃষ্টিকৰ্তা ব্যক্তিজনেই হৈছে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। তেৰাই কীৰ্তন পুথিত লিখি থৈ গৈছে - "কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম, জানিয়া সবাকো প্ৰভু কৰিবা প্ৰণাম।" অৰ্থাৎ জগতৰ সকলো প্ৰণীকেই এক আত্মা জ্ঞান কৰি সন্মান কৰিব লাগে। ইয়াতকৈয়ো বহল ওখ সাম্যভাৱ আন ক'ৰবাত থাকিব পাৰে বুলি ভাবিব নোৱাৰি।

# মোদী চৰকাৰৰ উপহাৰঃ দেশৰ বৈদ্যুতিক ৰে'লৰ মানচিত্ৰত অসম



ৰঙিলী বাৰ্ত্তাসেৱা- ২০২১৪ বিদ্যুত চালিত ইঞ্জিনেৰে ব্ৰহ্মপুত্ৰ ৰে'লে গুৱাহাটীৰ কামাখ্য ষ্টেশ্যনৰ পৰা নতুন দিল্লীলৈ যাত্ৰা কৰাৰ লগে লগে এক নতুন অৰ্থনৈতিক ইতিহাসৰ শুভাৰম্ভ হয়। উল্লেখযাগ্যে যে দিনৰ ২.৩০ বজাত কামাখ্যা ষ্টেশ্যনৰ পৰা দেশৰ ৰাজধানীলৈ প্ৰথমবাৰৰ বাবে বিদ্যুত চালিত ইঞ্জিনেৰে ৰে'ল চলাচল আৰম্ভ হাৱোৰ লগে লগে দেশৰ বৈদ্যুতিক ৰে'লৰ মানচিত্ৰত অসমৰ নাম দীৰ্ঘ অপেক্ষাৰ অন্তত আজি অন্তৰ্ভুক্ত হয়। এতিয়াৰে পৰা গুৱাহাটীৰ কামাখ্যা ৰে'ল ষ্টেশন লৈ আৰু কামাখ্যাৰ ৰে'ল ষ্টেশ্যনৰ পৰা দেশৰ বিভিন্ন প্ৰান্তলৈ বৈদ্যুতিক ইঞ্জিনযুক্ত ৰে'ল চলাচল কৰিব পাৰিব। যোৱা এপ্ৰিল মাহৰ পৰা কেইবাবাৰো পৰীক্ষামূলকভাৱে বৈদ্যুতিক ইঞ্জিনযুক্ত ৰে'ল চলাৱোৰ পিছত আনুষ্ঠানিকভাৱে চলাচল কৰাৱোৰ বাবে এন এফ ৰে'লৱে সিদ্ধান্ত গ্ৰহণ কৰে। এন এফ ৰে'লৱেৰ এই সিদ্ধান্ত অসমৰ অৰ্থনীতিৰ বাবে এক যুগান্তকাৰী বুলি ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশে বৰ্ণনা কৰিছে। ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় ' বৈদ্যুতিক ইঞ্জিনযুক্ত ৰে'লৰ চলাচলে অসমৰ অৰ্থনীতিক আত্মনিৰ্ভৰ কৰি তোলাত যথেষ্ট অৰিহনা আগবঢ়াব বুলি বিজেপি অসম প্ৰদেশৰ সভাপতি ভৱেশ কলিতাই মন্তব্য কৰিছে। লগতে কলিতাই এন এফ ৰে'লৱেৰ বিষয়া কৰ্মচাৰী সকলক এই শুভ কামৰ বাবে আন্তৰিক শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰে। উত্তৰ পূব সীমান্ত ৰে'লৱেত সৰ্বমুঠ ৭৬০ কিলামিটাৰ ৰে'লপথ বৈদ্যুতিকৰণ কৰি কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক ঐতিহাসিক আৰু যুগান্তকাৰী আন্তঃগাঁথনি নিৰ্মাণ কৰি উলিয়াইছে। উল্লেখযাগ্যে যে এই বৈদ্যুতিকৰণৰ কাৰ্য ৰে'ল বিকাশ নিগম লিমিটেড আৰু ৰে'ল বৈদ্যুতিকৰণৰ কেন্দ্ৰীয় সংস্থাই সম্পাদন কৰে। এই পৰ্যন্ত কাটিহাৰ আৰু মালদাৰ পৰা নিউ কোচবিহাৰ পৰ্যন্ত বৈদ্যুতিক ইঞ্জিনেৰে চালিত ৰে'লৰ চলাচল হৈছিল। সাধাৰণতে নামনিমুৱা ৰে'লসমূহৰ পৰা নিউ কোচবিহাৰত বৈদ্যুতিক ইঞ্জিন আঁতৰাই যাত্ৰাৰ বাবে ডিজেল ইঞ্জিন সংযোজিত কৰা হৈছিল। বৰ্তমান কামাখ্যা পৰ্যন্ত বৈদুতিকৰণৰ কাম কাৰ্য সম্পূৰ্ণ হৈ উঠাৰ বাবে ৰে'লৰ ট্ৰেকচনৰ পৰিৱৰ্তন নকৰাকৈয়ে প্ৰত্যক্ষ ৰূপে কামাখ্যা ষ্টেশ্যন পৰ্যন্ত চলাচল কৰিব পাৰিব। ঠিক এনেধৰণে নিউ দিল্লীৰ পৰা কামাখ্যা পৰ্যন্ত ইঞ্জিন পৰিৱৰ্তন নকৰাকৈ প্ৰত্যক্ষৰূপে ৰে'ল যাগোযাগে এতিয়াৰে পৰা সম্ভৱ হৈ উঠিল। ই এক মোদী চৰকাৰৰ যুগান্তকাৰী পদক্ষেপ।

# পেট্ৰ'ল আৰু ডিজেলৰ মূল্য সৰ্বকালৰ শিখৰত

ৰঙিলী বাৰ্ত্তাসেৱা — দেশৰ সকলো প্ৰান্ততে প্ৰতিলিটাৰ পেট্ৰ'ল আৰু ডিজেলৰ মূল্যই সৰ্বকালৰ শিখৰত উঠিছে। আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য আৰু কৰৰ বাবেই দেশত পেট্ৰ'ল আৰু ডিজেলৰ মূল্য বৃদ্ধি হৈ আছে। তথ্য অনুসৰি, বিগত দুবছৰত প্ৰতিলিটাৰ পেট্ৰ'লৰ দাম বৃদ্ধি পাইছে্ছ্ছ টকাকৈ। অভিলেখ গঢ়িছে পেট্ৰল ডিজেলৰ মূল্যই। তেনেদৰে প্ৰতিলিটাৰ ডিজেলৰ মূল্য চজ্ঝ.প্ত টকা বৃদ্ধি পাইছে। ৰাজহুৱা খণ্ডৰ কোম্পানী অইলসহ চাৰি কোম্পানীয়ে আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য আৰু মাৰ্কিন ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰাৰ মূল্যৰ তাৰতম্যৰ আধাৰত প্ৰতি পযেকে পেট্ৰ'ল আৰু ডিজেলৰ মূল্য পুনৰীক্ষণ কৰে। ইয়াৰ আধাৰতেই বিগত কেইবামাহ ধৰি পেট্ৰ'ল আৰু ডিজেলৰ মূল্য বৃদ্ধি কৰি থকা হৈছে। বিগত দুবছৰৰ ভিতৰত প্ৰথম বছৰৰ তুলনাত দ্বিতীয় বছৰত প্ৰতিলিটাৰ পেট্ৰ'লৰ মূল্য অধিক বৃদ্ধি পাইছে। ঠিক তেনেদৰে অনুৰূপ হৈছে ডিজেলৰ ক্ষেত্ৰতো। এটা বছৰত প্ৰতিলিটাৰ পেট্ৰ'লৰ মূল্য ্চ শতাংশ বৃদ্ধি পাইছে আৰু দুটা বছৰত চ্ছ্ছ শতাংশ বৃদ্ধি হৈছে।

# ফটাশিল সংৰক্ষিত বনাঞ্চলত বন বিভাগৰ উচ্ছেদ অভিযান

ৰঙিলী বাৰ্ত্তাসেৱা- পৰিৱেশ সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰৰ বন বিভাগে বনাঞ্চলত বেদখল উচ্ছেদ অভিযান, উচ্ছেদিত স্থানত গছপুলি ৰোপনকে ধৰি কেতবোৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা স্বত্বেও একাংশ লোকে ৰাজ্যৰ আন বনাঞ্চলৰ লগতে গুৱাহাটী মহানগৰীতো বিভিন্ন কূট কৌশল অৱলম্বন কৰি বনাঞ্চলৰ মাটি বেদখল কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। অৱশ্যে শেহতীয়াভাৱে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ সকলো বন সংমণ্ডল প্ৰাধিকাৰীক নিজ নিজ এলেকাৰ সংৰক্ষিত বনাঞ্চলত বনভূমি বেদখল কৰা বেদখলকাৰীক উচ্ছেদ কৰি তাত পৰিৱেশ সংৰক্ষণৰ বাবে গছপুলি ৰোপন কৰিবলৈ নিৰ্দেশ দিছে। এই নিৰ্দেশৰ আধাৰত পূব কামৰূপ বন সংমণ্ডলৰ বন সংমণ্ডল প্ৰাধিকাৰী ৰোহিণী বল্লভ শইকীয়াই সংমণ্ডলৰ পাঁচোটা বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত খণ্ড বন বিষয়া সকলক তেওঁলোকৰ অধীনৰ সংৰক্ষিত বনাঞ্চল সমূহ বেদখলমুক্ত কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। বন সংমণ্ডল প্ৰাধিকাৰীৰ নিৰ্দেশত গুৱাহাটী বনাঞ্চলৰ অধীনৰ ফটাশিল খণ্ড বন বিষয়া কাৰ্যালয়ে ফটাশিল সংৰক্ষিত বনাঞ্চলৰ নতুনবস্তি আৰু শালবাৰী অঞ্চলত নতুনকৈ বেদখল কৰি নিৰ্মাণ কৰা ছয়টা ঘৰ ভাঙি পেলায় । খণ্ড বিষয়া প্ৰাণেশ্বৰ শৰ্মাৰ নেতৃত্বত যোৱা বনকৰ্মীৰ দলটোৱে দুদিনমান পূৰ্বে নিৰ্মাণ কৰা তৰ্জাৰ ছয়টা ভাঙি পেলোৱাৰ লগতে ভৱিষ্যতে যাতে পুনৰ বেদখল কৰিব নোৱাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰে । উল্লেখযোগ্য যে বন সংমণ্ডল প্ৰাধিকাৰীৰ নিৰ্দেশ মৰ্মে গুৱাহাটীৰ নৱনিযুক্ত বনাঞ্চলিক বিষয়া প্ৰাঞ্জল বৰুৱাই উচ্ছেদ অভিযান চলাবলৈ ফটাশিলৰ খণ্ড বন বিষয়াক লিখিত নিৰ্দেশ প্ৰেৰণ কৰিছিল । জানিব পৰা মতে খণ্ড বন বিষয়া হিচাপে ফটাশিলত যোগদান কৰাৰ পাছৰে পৰা প্ৰাণেশ্বৰ শৰ্মাই বেদখলকাৰীৰ বিৰুদ্ধে যুদ্ধদেহিং মনোভাৱ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

# আজিৰ প্ৰজন্ম আৰু চেকনিৰ আগত বিদ্যাৰ মূল্যায়ন

**কৰবী ভূঞা,**
**গোলাঘাট**



আজিৰ যুৱশক্তি সচাকৈয়ে আচৰ্যজনক। কোনেও কাৰো কথা শুনিবলৈ সময় নাই। ব্যস্ততাৰ উজুহাতত আমিবোৰ একোটা যন্ত্ৰ। চাঁওতে পচিশটা বসন্ত পাৰ কৰিছো। আজিও মনত পৰে বিদ্যালয়লৈ যোৱা প্ৰথম দিনটো। ঘৰৰ ওচৰৰ অতি আপোন, নামঘুৰীয়া প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ শিপাডাল পুতিছিলো। সেই শিপাডাল থন ধৰি উঠিছিল শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ আদৰত। ভাল, বেয়া বিচাৰ কৰিবলৈ শিকাইছিল শিক্ষাগুৰুসকলে। চতুৰ্থ শ্ৰেণী পাৰ হৈ উচ্চ শিক্ষা গ্ৰহণ কাৰনে আমাৰ অঞ্চলৰ অন্যতম শিক্ষানুষ্ঠান ফলঙনী বাপুজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থী হৈ পৰিলো। সেইয়া এক অনন্য অনুভূতি, যি অনুভূতি লগত লৈয়ে বিশ্ববিদ্যালয়ৰ দেওনা পাৰ কৰিলো। প্ৰতিজন শিক্ষাগুৰু আছিল জ্ঞানৰ পূজাৰী। জীৱনৰ প্ৰতি কামত আগুৱাই যোৱা নেতৃত্ব প্ৰদান কৰিছিল ।আমি পঢ়া, খেলা সকলো কামতে শিক্ষাগুৰু সকলে সহায় আগবঢ়াইছিল।

চেকনীৰ আগত বিদ্যা, আপ্ত বাক্যশাৰী দেউতাৰ মুখত প্ৰায়ে শুনিছিলো। প্ৰকৃতাৰ্থত শিক্ষাগুৰু বুলিলে কৃতজ্ঞতাত শিৰ নত হৈ পৰে। বিদ্যালয়ৰ শিক্ষা সাং কৰি বিভিন্ন ঠাইত শিক্ষাগ্ৰহণ কৰিলো, যোৰহাট মহাবিদ্যালয়, তেজপুৰ বিশ্ববিদ্যালয় আদিত পঢ়াৰ সুযোগ পালো। প্ৰতিজন শিক্ষাগুৰু পৰা জীৱনত আগুৱাই যোৱা সবল সাৰমৰ্ম লাভ কৰিছিলো। আজিও সেই প্ৰতিজন শিক্ষাগুৰুক দেখিলে যথোপৰনাস্তি সন্মান যাচো। কিন্তু যোৱা এঘাৰ অক্টোবৰত ফিলবাৰীত সংঘটিত শিক্ষক-ছাত্ৰৰ দুব্যৱহাৰৰ বাতৰি-কাকত শিৰোনামাই মোৰ দৰে বহুতৰ মনত ঘৃণাৰ ভাৱ সৃষ্টি কৰিছে। তথাকথিত কুলংঘ, গুন্দামি কৰি আৰু নেতাৰ নামত বিকৃত মগজুৰ মানসিকতা প্ৰতিফলন ঘটালে। এগৰাকী শিক্ষয়িত্ৰীয়ে নিজৰ সন্তান স্বৰূপ ছাত্ৰ-ছাত্ৰী সকলক কিবা এযাৰ কথা কঁওতে ইমান অভদ্ৰ আচৰণ কৰা এইবোৰে ই আমাৰ ভৱিষ্যতৰ উওৰাধিকাৰ, এইয়াই ছাত্ৰ সংগঠন ৰ প্ৰতিনিধি নেকি?? যিয়ে সাধাৰণ শিষ্টাচাৰ খিনি নাজানে, নিজৰেই সেই পয়ালগা অৱস্থা, তেওঁ আনক কি প্ৰতিনিধিত্ব কৰিব। এনেকুৱা হাজাৰজন কৰ্ণ বুঢ়াগোহাঁইক আমি বৰ্জন কৰো। শিক্ষক দিৱস দিনা কৰা আয়োজন তেই সকলো শেষ নহয় এইবোৰ পাবত গজা নেতাই ৰবৰৰ ভাষন ৰাখে মেল-মিটিংত। প্ৰত্যকৰ দৰে আমিও বিদ্যালয়ত আঁছৰি কোব খাই পাইছো, আমিও কানত ধৰি পাইছো, আমিও বিভিন্ন সময়ত গালি- গালাজ শুনিছোঁ। কিন্তু সেইয়া আছিল জীৱন গঢ়াৰ বাবে আমাক দিয়া প্ৰকৃত শিক্ষা। যাৰ কাৰণে আমিবোৰ মানুহ হিচাপে আজিৰ স্থিতি লাভ কৰিছো। আজিও আমি শিক্ষাগুৰুক দেখিলে চাইকেলৰ পৰা নামি দিও, সমানে চকীত নবহো, লগপালে মাতযাৰ দিয়াত হেলা নকৰোঁ। আজি লজ্জিত আমি ছাত্ৰ সমাজ, ইমান মানৱতাৰ অৱক্ষয়, মূল্যবোধৰ অৱনতি। কিন্তু কিয়?? আমাৰ ভৱিষ্যতৰ পথবোৰ আৰু ভয়লগা। এতিয়া হাজাৰ কান্দোনৰ ৰোল তুলিলেও, ভৰিত পৰি বাগৰি থাকিলেও ইয়াৰ মাফ নহয়, কাৰন কিছুমান কামে মানুহৰ অন্তৰ- আত্মক আঘাত হানে। শেষত এইবোৰ আলোচনা বা বাতৰি শিৰোনাম দখল কৰাটোৰেই আমাৰ শিক্ষা, সমাজ ব্যৱস্থাৰ অধপতনৰ দিশটো প্ৰতক্ষিত হৈছে। পৰবৰ্তী পৰ্যায়ত এই ধৰণৰ ঘটনাৰ পুনৰাবৃত্তি নহওঁক লগতে এই বিষয়ে উচ্চপযায়ৰ তদন্ত হঁওক।

# নিঠৰুৱা

**ৰশ্মি ৰেখা বৰা হাজৰিকা**
**যোৰহাট**



বাৰাণ্ডাত বস্তি এগছি আৰু ধূপ-ধুনাৰ সন্মুখত সজাই থোৱা দীপকৰ ফটোখনৰ ফালে হাতযোৰ কৰি মানুহ দুজন ড্ৰয়িংৰুমলৈ সোমাই গ'ল। দীপকৰ এক্সিডেণ্ট কৰা ডাম্পাৰখনৰ মালিকে পঠিয়াইছে তেওঁলোকক। সুচিত্ৰা বহি থাকিল ফটোখনৰ ওচৰতে ভাবলেশহীন হৈ। ড্ৰয়িংৰুমত মুন্নীৰ দেউতাক আৰু ককায়েকে তেওঁলোকৰ লগত কথা পাতিছে। মুন্নীকো মাতি অনা হৈছে ভিতৰৰ পৰা। কথাৰ টুকুৰাবোৰ উফৰি আহি সুচিত্ৰাৰো কাণত পৰিছে।

"পঞ্চাশ হাজাৰ কম হ'ব। ডেকা মানুহ এটাৰ জীৱনৰ মূল্য মাত্ৰ পঞ্চাশ হাজাৰ নেকি?"

"ভাবি চাওক। কেচ দিব পাৰে আপোনালোকে, কিন্তু চলাব পাৰিব জানো? বহু দিন লাগিব কেছ ছিগিবলৈ। উকীলক ক'ৰ পৰা পইচা দিব? একোৰেই নাপাব তেতিয়া। তাতকৈ ইয়াতে ৰফা-দফা কৰা ভাল।"

"হ'লেও পঞ্চাশ হাজাৰ কম হ'ব। এটা মানুহ মাৰি পেলাইছে। পৰিয়ালটো নিঠৰুৱা এতিয়া। তাৰ একেবাৰে আপোন বুলিবলৈ ইহঁত তিনিটা, পত্নী-পুত্ৰ আৰু আগৰ গৰাকী পত্নীৰ ফালৰ ল'ৰা এটা। পইচা তিনিভাগ হ'ব। কিবা অলপটো পাব লাগিব নিঠৰুৱা প্ৰাণীকেইটাই।"

দীপকৰ আপোন মানুহৰ লিষ্টখন দিয়া হৈছে হত্যাকাৰীৰ চামুণ্ডাসকলক। সেই লিষ্টত সুচিত্ৰাৰ নাম নাই। কাহানিও নভবা কথা এটা সুচিত্ৰাৰ মনলৈ আহিল। প্ৰকৃততে নিঠৰুৱা কোন? ডেকা পুত্ৰৰ নিৰ্জীৱ ফটোৰ সন্মুখত চাকি-বন্তি জ্বলাবলগীয়া হোৱা বিধবা মাকজনী নিঠৰুৱা হোৱা নাই নেকি? পুতেকৰ মৃত্যুৰ ক্ষতিপূৰণ তেওঁক নালাগে, টকাই সেই ক্ষতি পূৰাব নোৱাৰে।

বহুবোৰ স্মৃতি ৰিৱাইণ্ড হ'বলৈ ধৰিলে সুচিত্ৰাৰ মন-মগজুত। ত্ৰিশ বছৰৰ আগতে এদিন চোতালত পৰি থকা তাইৰ গিৰিয়েক বীৰেনৰ মৃতদেহৰো মূল্য নিৰ্ধাৰণ কৰা হৈছিল। পেশাত ইলেক্ট্ৰিচিয়ান বীৰেনৰ মৃত্যু হৈছিল ধনী ব্যৱসায়ী এজনৰ ঘৰত পানীৰ মটৰ বহুৱাওতে বিদ্যুৎপৃষ্ট হৈ। ব্যৱসায়ীজনে ক্ষতিপূৰণ দিছিল, যিখিনিৰ ওপৰত অধিকাৰ সাব্যস্ত কৰিছিল বীৰেনৰ মাক আৰু ভায়েকহঁতে। কাৰণ সিহঁত নিঠৰুৱা হৈছিল ঘৰখনৰ একমাত্ৰ উপাৰ্জনকাৰী জনৰ মৃত্যুত। নিঠৰুৱা হোৱা নাছিল সুচিত্ৰা আৰু চাৰিবছৰীয়া পুত্ৰ দীপক।

"টকা থকা মানুহৰ ছোৱালী, কাইলৈ ঘৰলৈ গুচি যাব। মৰিম আমিবোৰহে।" বীৰেনৰ মাকে কৈছিল।

শ্ৰাদ্ধৰ কাম-কাজ শেষ হোৱাৰ পাছত উলিয়াই পঠিওৱা হৈছিল সুচিত্ৰা আৰু দীপকক। ঘূৰি যাবলৈ ঘৰ নাছিল সুচিত্ৰাৰ। ঘৰৰ মান-সন্মান, বংশমৰ্য্যাদা ভূলুণ্ঠিত কৰি নীহকুলীয়া বীৰেনলৈ পলাই যাওঁতে দেউতাক ত্ৰৈলোক্য তামুলীয়ে চৰু-হাড়ি পেলাই ত্যজপুত্ৰী ঘোষণা কৰিছিল তাইক। তথাপিও তাই সেইখন ঘৰলৈকে ঘূৰি আহিছিল। আহিব লগীয়া হৈছিল। সদ্যপ্ৰয়াত স্বামীৰ ফটো এখন আৰু কণমানি দীপকক বুকুত সাবটি তাই থিয় হৈছিল সেইখন ঘৰৰ পদূলিত। আতোলতোলকৈ তোলা একমাত্ৰ জীয়েকক কণমানি সন্তানৰ সৈতে দপদপীয়া বৰষুণত তিতি তিতি থিয় দি থকা দেখি মূৰ্চ্ছা গৈছিল তাইৰ মাক, ত্ৰৈলোক্য তামুলীৰ পত্নী সুবৰ্ণলতা তামুলী। কিন্তু কোমলা নাছিল শিল যেন পিতৃৰ অন্তৰ।

সিহঁতৰ ঘৰত কাম কৰি বুঢ়ী হোৱা আঘোণীবায়ে লৈ গৈছিল তাইক নিজৰ ঘৰলৈ।

"কি মানুহ হে তোমালোক! নিঠৰুৱা ছোৱালীজনীলৈও মৰম দয়া নাই।"

"কিহৰ নিঠৰুৱা তাই? গৈছিল নহয় আমাক এৰি আমাতকৈও আপোন মানুহৰ ওচৰলৈ। তাতে নাথাকিল কিয়?" গৰজি উঠিছিল ত্ৰৈলোক্য তামুলী।

পিছত অৱশ্যে সুবৰ্ণলতা তামুলীৰ ভোক-হৰতালৰ কাৰণে বাৰীৰ চুকত বিপৰীত দিশত বাট উলিয়াই সৰু পকী ঘৰ এখন সজাই দিছিল তামুলীয়ে। কিন্তু বাৰণ কৰি দিছিল তেখেতৰ মুখামুখি হ'বলৈ। মৃত্যুৰ আগে আগে ৰোপিত মাটি এহালিচাও উইল কৰি দিছিল তাইৰ নামত।

মাকে চাউল-দালি, তেল-হালধিৰ পৰা ঘৰৰ সকলো যোগাৰ পঠিয়াই থাকিছিল জেওৰাৰ এইপাৰৰ পৰা। কাৰো ওচৰত হাত নপতাকৈ চলি গৈছিল তাই আৰু দীপক। ত্ৰৈলোক্য তামুলীৰ মৃত্যুৰ পিছত সুবৰ্ণলতা তামুলীয়ে এদিন নিজেই মোনা এটাত বস্তু-বেহানি ভৰাই বুবুলৰ হাতত পঠিয়াব খোজোতে ডাঙৰ বোৱাৰী অজন্তাই মিহি মিহিকৈ কৈ উঠিছিল।

"এতিয়া আৰু এনেকৈ বস্তু পঠিয়াই নাথাকিব মা। পুতেক কলেজ পালেগৈ। এতিয়া আৰু নিঠৰুৱা হৈ থকা নাই তেওঁলোক।"

জেওৰাৰ সিপাৰে মোনাটো চমজি ল'বলৈ অহা সুচিত্ৰাৰ কাণতো পৰিছিল কথাষাৰ। দীপকেও শুনিছিল কথাকেইটা। পাছদিনাই সি সীমান্ত ৰাজখোৱাৰ গেলামালৰ দোকানত চেলছমেন সোমাইছিল।

"মা, কাৰো ওচৰত হাত পাতিব নালাগে তুমি। দোকানৰ চাকৰিটোৰ পইচা কম। হ'ব দিয়া,

*(আঠপৃষ্ঠাত চাওক)*

# যুৱ-সমাজ, সংক্ষেপে কিছু চিন্তা

কৌশল্যা বৰা
দেৰগাঁও




১৩ ১৪ বছৰৰ পৰা প্ৰায় ৩০ বছৰৰ অনূৰ্দ্ধ, অবিবাহিত যুৱক -যুৱতীৰে গঠিত হয় যুৱ-সমাজ। যুৱ সমাজক এখন দেশৰ সামগ্ৰিক উন্নয়নৰ চালিকা শক্তি বুলিব পাৰি। আজিৰ শিশু বা যুৱক কাইলৈৰ দেশৰ গুৰি ধৰোঁতা। গতিকে যুৱ সমাজৰ পূৰ্ণাঙ্গ উন্নতিয়ে এটা জাতিৰ বা এখন দেশৰ উন্নতিক প্ৰকাশ কৰিব। দেশৰ সুস্থ যুৱ মানসিকতাৰ অবিহনে কোনো দেশৰে পূৰ্ণাংগ উন্নতি অসম্ভৱ। সুন্দৰ যুৱ মানসিকতাইহে আমাক সুন্দৰ আৰু সুখকৰ জীৱনৰ গতিপথ দেখুৱাইছে। কিন্তু, পৰিবেশ, পৰিস্থিতিৰ প্ৰতিকূলতাত যুৱ সমাজৰ (কম সংখ্যক) এচামে আত্ম নিয়ন্ত্ৰণ হেৰুৱাই অবাটে গুছি নোযোৱা নহয়। যাৰ বাবে বৰ্তমান সমাজৰ যুৱ-মানসত কিছু কেৰোণ লাগিছে। অপ্ৰিয় হ'লেও সত্য যে কোনো সন্তানেই উদণ্ড মানসিকতাক নিজে বাচি নলয়। পৰিয়াল, সমাজ, দেশৰ পাৰিপাৰ্শ্বিক অৱস্থাই এই ক্ষেত্ৰত জগৰীয়া। একক পৰিয়ালৰ সীমাবদ্ধতাৰ মাজত শিশুৱে শৈশৱৰ পৰা যৌৱনৰ দুৱাৰ দলিত ভৰি দিয়ালৈকে যি শিক্ষা গ্ৰহণ কৰে সেইখিনিৰ ওপৰতে ভৱিষ্যত জীৱনটোৱে গতি লয়। কথাতে কয় 'বাপেক চাই পুতেক','মাক চাই জীয়েক' -বুলি। সুবিধা সৰ্বস্ব আৰু ভোগ-সৰ্বস্ব জীৱন আৰু অভিভাৱকৰ অনুশাসনহীনতা, প্ৰতি কাম, কথাতে প্ৰতিযোগিতা, অন্যৰ প্ৰতি ইৰ্ষামূলক মনোভাৱে আমাৰ সমাজখনক প্ৰদৰ্শনী মূলক ভাৱেৰেহে শুৱনি কৰি ৰাখিছে। ভিতৰি কিন্তু তেনেই ফোঁপোলা। আনৰ সুখত সুখী, আনৰ দুখত দুখী হ'ব পৰা মানসিক অৱস্থাটো যেন প্ৰকৃতাৰ্থত হেৰাই গৈছে। এনেদৰে সহৃদয়তাৰ অভাৱৰ প্ৰভাৱ আমাৰ যুৱ-মানসিকতাৰ ওপৰতো পৰিছে। ভোগ-সৰ্বস্ব সমাজত যুৱ-সমাজ বহুক্ষেত্ৰত অনুশাসনহীনতাত ভোগীছে। কোনেও কাৰো ওচৰত হাত নপতাকৈ চলিব পৰা সুবিধাৰ বাবে আন্তৰিকতা কিছু হ্ৰাস পাইছে। অতীতত আমাৰ সমাজত কিছুমান সৰু-সুৰা অভাৱে আন্তৰিকতা ধৰি ৰাখিছিলে। আদান-প্ৰদানে সমাজৰ বান্ধ সুদৃঢ় কৰে, মিলা-প্ৰীতিও বঢ়াই। শ্ৰদ্ধা, ভয়, ভক্তিৰো সৃষ্টি কৰে।সেইবুলি আমি কোনো কাৰণতেই অতীতলৈ ঘুৰি যাব নোৱাৰো বা নাযাও, কিন্তু উৎসৱে-পাৰ্বণে, বিপদে-আপদে আমাৰ উত্তৰ পুৰুষক চুবুৰীয়া সমাজৰ সতে মিলা-মিচা কৰাৰ পথ দেখুৱাব লাগে। যুৱ-সমাজৰ অনুশাসনৰ দিশত পৰিয়ালৰ উপৰিও আত্মীয় স্বজন, চুবুৰীয়া সমাজৰো কৰণীয় থাকে। সাম্প্ৰতিক সমাজ ব্যৱস্থাত যৌথ পৰিয়াল বাদেই আনকি কল'নিয়েল লাইফত ওচৰ- চুবুৰীয়াকৈ থকা সকলৰো ভিন্ন সৌৰজগতৰ বাসিন্দাৰ নিচিনাহে সম্পৰ্ক।বৰ্তমান আমাৰ অৰ্থ-সম্পত্তিৰ তুলনাত মনবোৰ সিমান উদাৰ নহয়। অতীতত ল'ৰা-ছোৱালীৱে চুবুৰীৰ পৰাও অভিভাৱকৰ সমানেই মৰম, উৎসাহ আৰু অনুশাসন পাইছিল। যাৰবাবে চুবুৰীৰ মানুহকো ল'ৰা-ছোৱালীৰে সমীহ কৰি চলিছিল। গতিকে নকৰিবলগীয়া কিবা এটা কৰিবলৈ সাহস নকৰিছিল। জ্ঞ ান অৰ্জনৰ দিশত চুবুৰী, সমাজ, আত্মীয়ৰ পৰাও সহায় পাইছিল।কিন্তু বৰ্তমানজ্ঞ ানৰঞ্জক, উপযুক্ত শিক্ষা নিৰ্ধাৰণ কৰি শিশুক আগবঢ়াই নিয়াটো অভিভাৱকৰ একান্ত ব্যক্তিগত বিষয় হৈ পৰিল। আমি আনৰ উন্নতিত প্ৰদৰ্শনীমূলকভাৱে শুভেচ্ছা দিওঁ, কমেন্ট কৰোঁ, কিন্তু সদায় ব্যক্তিগত সুখ আৰু লাভৰ বাবেহে চিন্তাত মজি থাকোঁ। অনুশাসনহীনতাই কৈশোৰক উশৃংখল জীৱনৰ বাট দেখুৱাই। অগ্ৰজসকলে যুৱ-প্ৰজন্মক সঠিক দিগ্ দৰ্শন কৰাব নোৱাৰিলে সময়ত যুৱ- উশৃঙ্খলতাই সকলো জেগাতে খোপনি পুতিব, তেতিয়া আমি যুৱ-প্ৰজন্মক দোষাৰোপ কৰিলে নহ'ব। প্ৰাথমিক শিক্ষা পৰ্যায়ৰ পৰা নিয়মানুবৰ্তিতা, অনুশাসন, সংযম, যোগৰ অভ্যাস কৰাৰ কৌশল শিকাব লাগিব। বিশেষকৈ ভোগবাদী চিন্তাধাৰাৰ বিপৰীতে আধ্যাত্মিক শিক্ষাৰ ব্যৱস্থা কৰিলে যুৱক সমাজত সু-শৃংখলিত আদৰ্শ গঢ়ি উঠিব। কৈশোৰকালত যৌৱনৰ বা -লগা সময়ত নিজকে সৎৰূপে গঢ়িব পাৰিব। আধ্যাত্মিক মূল্যবোধসম্পন্ন যুৱক-যুৱতীয়ে সমাজৰ অগ্ৰজ তথা মান্যৱন্ত লোকৰ প্ৰতি শ্ৰদ্ধা, ভক্তি, সন্মান প্ৰদৰ্শন কৰিবলৈ হয়তো নাপাহৰিব। কেৱল পুথিগত পাঠ্যক্ৰমে দিয়া প্ৰমাণ পত্ৰই যুৱক-যুৱতীৰ কৰ্মসংস্থানৰ বাবে যথোপযুক্ত নহয়। প্ৰতিযোগিতামূলক পৰীক্ষাৰ উপযোগীকৈ পাঠ্যক্ৰম প্ৰস্তুত নোহোৱাৰ বাবেও নিবনুৱা সৃষ্টি হৈ বহু যুৱক যুৱতী বাট এৰি অবাটে নোযোৱা নহয়। তাৰোপৰি নিচাযুক্ত দ্ৰব্য- মদ, ভাং, ড্ৰাগছ, কানি, ব্ৰাউন চুগাৰ, হিৰোইন আদি সমাজৰ বৰবিহ। এনে বৰবিহৰ পৰা সমাজক সম্পূৰ্ণ ৰূপে আঁতৰাই ৰাখিব নোৱাৰিলে সমাজৰ অশৃংখলতা কেতিয়াও নোহোৱা কৰিব নোৱাৰে। চৰকাৰী পক্ষৰ বাবে ই প্ৰধান কৰ্তব্য।

মুক্ত অৰ্থনীতি আৰু গোলকীকৰণৰ বাবে যধে-মধে পশ্চিমীয়া সংস্কৃতিয়ে গাওঁ-ভূঁই,

( পাঁচপৃষ্ঠাত চাওক)

# বিদ্যা ধন আচল ধন

বন্দিতা শৰ্মা কন্দলি,
দেৰগাঁও

এখন গাঁৱত ধনধৰ আৰু গুণধৰ নামৰ দুজন ভাইককাই আছিল। দুই ভাই ককাই বৰ মিলাপ্ৰীতিৰে সৰুৰে পৰা ডাঙৰ দীঘল হৈছিল। ধনধৰ বৰ কামিলা আছিল। গুণধৰে নকৰিলে নোহোৱা কামটোহে কৰিছিল। দেউতাকে যিকেইটা কাম কৰিবলৈ কয় সেইকেইটা কাম খৰ ধৰ কৈ সুচাৰুৰূপে কৰি নিজৰ বাবে সময় উলিয়ায়। তাৰ মানে বিদ্যালয়লৈ গৈ পঢ়া শুনা কৰে। ঘৰতো সময় পালে পঢ়া শুনাতেই ব্যস্ত থাকে। আনহাতে ধনধৰৰ পঢ়া শুনা ৰ প্ৰতি বিশেষ ৰাপ নাই । সি ভাৱে পঢ়া শুনা কৰি কেইটা মানুহ ডাঙৰ হৈছে! খেতি পথাৰ, বেপাৰ বাণিজ্য কৰিলেহে ধন ঘটি ডাঙৰ মানুহ হ'ব পাৰিহে্ৰু সেয়ে ধনধৰে মাহেকে পযেকেহে্ৰ বিদ্যালয়লৈ পাক মাৰে। এনেদৰেই দিনবোৰ বাগৰিল। ধনধৰে দশম শ্ৰেণীৰ পৰা আগুৱাব নোৱাৰিলে। ইপিনে গুণধৰে পঢ়া শুনা কৰি বিশ্ববিদ্যালয়ৰ ডিগ্ৰী পৰ্যন্ত লাভ কৰিলে। স্বভাৱ- চৰিত্ৰও বৰ শান্ত আৰু নম্ৰ । সেয়ে সমাজত সকলোৰে সন্মান পায়। বিপদত গঞাই তেওঁৰ পৰাই বুদ্ধি ভৰসা লয়। কিন্তু ধনধৰৰ সমান টকা পইচা বা সা-সম্পত্তি নাই। ধনধৰৰ ধন-সম্পত্তি অগাধ যদিও গঞা ৰাইজক কোনো ধৰণৰ সহায় সাৰথি নকৰে। কেৱল নিজৰ বাবেহে তেওঁ চিন্তা কৰে।

এদিনাখনৰ কথা, ধনধৰে বেপাৰ বাণিজ্য কৰি বহু ধন-সোণ আনি ঘৰতে থৈছিল। সেই ধনেৰে সি ৰাজ অট্টালিকা সাজিবলৈ আশা পুহি ৰাখিছিল। কিন্তু ভবা কথা নহয় সিদ্ধি বাটত আছে কণাবিধি। সেয়ে কেইজনমান দুষ্ট প্ৰকৃতিৰ লোকে ধন-সোণৰ কথা জানিব পাৰি ধনধৰক প্ৰাণে মৰাৰ ভয় দেখুৱাই সকলো ধন-সম্পত্তি কাঢ়ি লৈ গ'ল। ধনধৰৰ আশাত চেঁচা পানী পৰিল। সি কান্দি কান্দি আহি গুণধৰৰ ওচৰ পালেহি। গুণধৰে তাৰ অৱস্থা দেখি কি হ'ল সুধিলে। ধনধৰে সকলো কথা ভাঙি- পাতি ক'লে। ককায়েকৰ কথা শুনি গুণধৰে ক'লে- সেই ডকাইটৰ দলটো মোৰ ওচৰলৈও আহিছিল; কিন্তু সিঁহতে মোৰ পৰা নিব পৰা বস্তু একোৱেই নাপালে। কাৰণ মোৰ ঘৰত কিতাপ-পত্ৰ আৰু প্ৰয়োজনীয় বস্তু কেইপদৰ বাহিৰে আন মূল্যবান সা-সম্পত্তি নাছিল। সেয়ে সিহঁতে ধন-সোণৰ আশা ত্যাগ কৰি গুচি গ'ল। আমাৰ জাতিৰ পিতা মহাত্মা গান্ধী য়ে কৈয়ে গৈছে যে 'সমৃদ্ধিশালী মানুহ তেওঁ নহয়, যিজনৰ বহুত সা-সম্পত্তি আছে বৰং সমৃদ্ধিশালী ব্যক্তি সেইজনহে যিজনৰ প্ৰয়োজন কম।' ভায়েকৰ কথা শুনি ধনধৰে ক'লে- মই এতিয়াহে আচল কথাটো বুজি পালোঁ, টকা পইচা সকলো অসাৰ।আনে ধন সম্পত্তি কাঢ়ি নিব পাৰে! বিদ্যালয়লৈ নগৈ মই ধন, সম্পত্তি, টকাৰ কথা ভাবিলোঁ । এতিয়া মোৰ সকলো শেষ। কিন্তু তোমাৰ বিদ্যা, বুদ্ধি, জ্ঞান কোনেও কাঢ়ি নিব নোৱাৰে। বিদ্যা ধন হে আচল ধন ।

# চিৰ আধুনিক শ্ৰীমন্ত

আজি আধুনিক যুগত গলোকীয় উত্তাপনৰ প্ৰভাৱত পৰি ককবকাই মানুহে উচ্চ শিক্ষাৰে শিক্ষিত হৈহে আধুনিক চিন্তাৰে পৰিৱেশৰ প্ৰতি সচেতন হ'বলৈ বাধ্য হৈছে। কিন্তু গুৰুজনাই পঞ্চদশ শতিকাৰ হাবি-জংঘলৰে ভৰা অসমখনত থাকিও "এক বৃক্ষ দশ পুত্ৰ সম" বুলি গছ-গছনিৰ উপকাৰিতা আৰু প্ৰকৃতি সম্পৰ্কে অতি দূৰদৰ্শিতাৰে অদূৰ ভৱিষ্যতলৈ সজাগত সৃষ্টিৰ নিৰ্দশন দাঙি ধৰি গৈছে।

গুৰুজনাই জাতি-বৰ্ণ-নিৰ্বিশেষ সমতা স্থাপনেৰে সকলোকে শাস্ত্ৰ অধ্যয়ন কৰি তাৰ সাৰমৰ্ম উপলব্ধি কৰি সু-শিক্ষিত হোৱাৰ এক আত্মনিৰ্ভৰশীলতা বা স্বাধীনতা প্ৰদান কৰিলে লগতে তেখেত ইমানেই উদাৰ আছিল যে "পৰৰ ধৰ্মক নিনিন্দিবা কদাচিত" বুলিও সকলোৰে প্ৰতি সন্মান যাচি গৈছে। আনকি গুৰুপত্নীয়ে গণেশৰ মুৰ্ত্তি পূজা কৰা সত্বেও গুৰুজনাই কেতিয়াও বাধ্য কৰোৱা নাছিল। মাধৱদেৱেহে আওপকীয়াকৈ গুৰুজনাৰ আদৰ্শৰ প্ৰতি আকৃষ্ট হ'বৰ বাবে বুজনি দিছিল।

অসমীয়া ভাষা-সংস্কৃতি আগুৱাই নিয়াৰ স্বাৰ্থত গুৰুজনাই নিজেই যে শাস্ত্ৰ অধ্যয়ন কৰি সাহিত্য সৃষ্টি কৰিছিল এনে নহয়, তেখেতৰ অনুগামিসকলকো শাস্ত্ৰ অধ্যয়ন কৰি সাহিত্য ৰচনা কৰাৰ বাবে অনুপ্ৰেৰণাৰে উৎসাহিত কৰি অসমত বৌদ্ধিক বিপ্লৱৰ নেতৃত্ব বহন কৰিছিল। বিজ্ঞানৰ আৱিষ্কাৰে ঢুকি নোপোৱা অসম মূলকত বিশ্বত ক'তো আৰম্ভ নহওতেই বিজ্ঞানসন্মত আৰু স্বাস্থ্যসন্মতভাৱে অংকীয়া নাট ভাওনাৰে অসমীয়া তথা ভাৰতীয় কৃষ্ণ সংস্কৃতি স্থাপন কৰি আগুৱাই লৈ গৈছিল।

জাতি এটা সুসভ্য আৰু শিক্ষিত বুলি ধৰা হয় তেতিয়াহে -যেতিয়া পুৰুষ-নাৰীক সমমৰ্যাদা আৰু নাৰীসকলক সামগ্ৰী বুলি গণ্য কৰাৰ বিপৰীতে উচিত সন্মান আৰু মৰ্যাদাৰে সমাজত আগস্থান দিয়া হয়। এই আধুনিক চিন্তাৰ সু-শিক্ষা গুৰুজনাই পঞ্চদশ শতিকাতে স্থাপন কৰিছিল।

গুৰুজনাৰ পৰৱৰ্তী সময়ত গুৰুভাৰ ল'ব পৰাকৈ যোগ্য শিষ্য আছিল- মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনা। অন্য ধৰ্মগুৰুসকলে এই দায়িত্ব যোগ্য নহ'লেও নিজৰ পুত্ৰক দি এটা বংশাণুক্ৰমিক পৰম্পৰাৰ সৃষ্টি কৰা দেখা

## যুৱ-সমাজ, সংক্ষেপে

নগৰ-চহৰ গ্ৰাস কৰি পেলালে।এটা জাতিক আগবঢ়াই নিবলৈ হ'লে সেই জাতিৰ ভাষা, সাহিত্য, সংস্কৃতি সকলো আগবঢ়াই নিব পাৰিব লাগিব। পৰিৱেশক বা পৰিস্থিতিক দোহাই দি পাশ্চাত্যৰ জীৱ-নাদৰ্শক আমি অভিভাৱক সকলেই যদি আকোঁৱালি লওঁ, তাৰপাছত যুৱ -সমাজক দোষাৰোপ কৰাটো অন্যায় হ'ব। নাৰীৰ অশালীন সাজ-পোছাক পৰিধান, যৌনগন্ধী চিনেমা, অশালীন ভি. ডি. অ. আদিও যুৱ-উশৃঙ্খলতাৰ আওপকীয়া প্ৰভাৱ। হত্যা, ধৰ্ষণ, বলাৎকাৰৰ বাতৰি আৰু সেইবোৰৰ পৰিঘটনাৰ বৰ্ণনাৰ সঘন প্ৰকাশে প্ৰকৃততে কিশোৰ-কিশোৰীক নজনাখিনিকো জানিবলৈহে দিয়া হয়। সুন্দৰ মানৱ সভ্যতা, সুন্দৰ মানৱ সমাজ। ইয়াত নিতৌ ন ন সজ কথা, জ্ঞানবৰ্দ্ধক বিষয়বস্তু, মহা মহা পুৰুষৰ যশ-গৰিমাৰে ভৰি আছে। কত যুৱক-যুৱতীয়ে জীৱনৰ বিভিন্ন দুখ-কষ্টক প্ৰত্যাহ্বান জনাই বিশ্ব - ইতিহাসত নিজৰ নাম উজ্জ্বলাই ৰাখিছে, সেইসকলৰ প্ৰচাৰ-প্ৰকাশেহে নতুন প্ৰজন্মক আগবাঢ়ি যোৱাত উৎসাহ যোগায়। যুৱ-সমাজক সঠিক দিগ্ দৰ্শন কৰাত সাংবাদিক সমাজৰো দায়িত্ব আৰু কৰ্তব্য আছে বুলি আমাৰ বিশ্বাস হয়। আধ্যাত্মিকতাসম্পন্ন, সুস্থ, নিকা পৰিয়াল, পৰিৱেশ দি সকৰে পৰাই কৰ্ম- সংস্কৃতিৰ প্ৰতি আকৃষ্ট কৰি আমি আমাৰ ভৱিষ্যত সমাজৰ প্ৰহৰী যুৱ-শক্তিক সঠিক দিশেৰে আগবঢ়াই নিলেহে এখন সুৰুচিপূৰ্ণ সুখেভৰা সমাজত হাঁহিমুখে বাস কৰিব পাৰিম।

## সুদীৰ্ঘ চাৰি বছৰৰ মূৰত আজি ভাৰত-পাকিস্তানৰ মাজত অনুষ্ঠিত হ'ব ক্ৰিকেটৰ মহাৰণ

ৰঙিলী বাৰ্ত্তাসেৱা - সুদীৰ্ঘ চাৰি বছৰৰ মূৰত ভাৰত-পাকিস্তানৰ ক্ৰিকেটৰ মহাৰণ উপভোগ কৰিব সমগ্ৰ বিশ্বই। পৃথিৱীৰ চুকে-কোণে থকা প্ৰতিগৰাকী ক্ৰিকেটপ্ৰেমী সাজু হৈ উঠিছে ইয়াৰ বাবে। এইপৰ্যন্ত টি-২০ বিশ্বকাপত ভাৰত আৰু পাকিস্তান ৫বাৰ পৰস্পৰৰ মুখামুখি হৈছে আৰু প্ৰতিবাৰেই ভাৰতে জয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে বিশ্বকাপৰ ইতিহাসত ভাৰতে প্ৰতিবাৰেই পাকিস্তানক পৰাস্ত কৰি শেষ হাঁহি মাৰিবলৈ সক্ষম হৈছে। ২০০৭ ত দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত আইচিচি টি-২০ বিশ্বকাপত মহেন্দ্ৰ সিং ধোনী নেতৃত্বাধীন টীম ইণ্ডিয়াই দুবাৰকৈ চুবুৰীয়া দেশখনৰ মুখামুখি হৈছিল। গ্ৰুপ পৰ্যায়ৰ মেচখনত শ্বাসৰুদ্ধকৰ পৰিস্থিতিত ভাৰতে বল আউটৰ জৰিয়তে জয়ী হোৱাৰ পাছত ফাইনেলত দুই চিৰবৈৰী পুনৰ সমুখসমৰত অৱতীৰ্ণ হৈছিল। জোহান্সবাৰ্গত অনুষ্ঠিত টি-২০ বিশ্বকাপৰ ফাইনেলত পাকিস্তানক ৫ ৰানত হৰুৱাই ধোনী বাহিনীয়ে খিতাপ জয় কৰাৰ স্বৰ্ণীল মুহূৰ্ত ভাৰতীয় ক্ৰিকেট অনুৰাগীৰ মনত এতিয়াও সজীৱ হৈ আছে। ২০১২ত শ্ৰীলংকাত আৰু ২০১৪ত বাংলাদেশত অনুষ্ঠিত টি-২০ বিশ্বকাপতো ভাৰতে শেষ হাঁহি মাৰি অগণন ক্ৰিকেট অনুৰাগীৰ মন জয় কৰে। ২০১৬ত ভাৰতত অনুষ্ঠিত টি-২০ বিশ্বকাপত টীম ইণ্ডিয়াৰ হাতত পুনৰ এবাৰ পৰাজয়ৰ সন্মুখীন হয় চিৰবৈৰী পাকিস্তান। দলটোৰ এই দীঘলীয়া ব্যৰ্থতাৰ ইতিহাস সলনি কৰাৰ লক্ষ্যৰে এইবাৰ বাবৰ আজম নেতৃত্বাধীন পাকিস্তানে আজি ডুবাইৰ আইচিচি ক্ৰিকেট গ্ৰাউণ্ডত অৱতীৰ্ণ হ'ব।




# তোমাৰ পলসুৱা খোজৰ উকমুকনি

**পুলিন ডেকা**



শৰতৰ জোনাকী ছাঁত
তোমাৰ পলসুৱা খোজৰ উকমুকনি
বহু সন্ধ্যা বুকুত লুকুৱাই এই নদীৰ
সোঁত হৈছিলোঁ
পলসত লুকাই থকা সোণগুটি বিচাৰি
হাতবোৰ সেউজ কৰিছিলোঁ
নাজানো কাৰ মুঠিত লুকাই থাকিল
শৰৎ বন্দনাৰ গান
শেৱালিৰ সৌৰভৰ নীলাভ চকুহাল
সেইবোৰ দিনৰ মই জীৱন্ত সোঁৱৰণ
কলিজাৰ কেঁচা তেজত তিতি থকা
অহৰহ মূৰ্ছনাৰ যন্ত্ৰণা
শৰতৰ আলিবাটে দি যোৱা ঠিকনাৰে
পুনঃ আহিবা
মই যি ঠাইত ৰৈ থাকিম
সেয়া ভগা মথাউৰিৰ সপোনৰ ঘৰ
কঁহুৱাৰ নিজান বাকৰি
অবৰ্তমানত থকা সকলো অভিলিপ্সা
এটা সাঁথৰ নহ'বও পাৰে
এটা বিব্ৰত হাঁহিত জঠৰ পৰিব নোৱাৰে
শৰতৰ নিৰ্মাষিত অনুভূতি
বহু কবিৰ কবিতাৰ আবেলিত শৰতৰ শব্দ দেখিছো।
খোজত গভীৰ হোৱা এন্ধাৰত
কাৰ কঁপনিত সাৰ পাইছে
শৰতে দি যোৱা শেৱালিসনা দোভাগ ৰাতিয়ে।

# শৰতৰ হাঁহি

**মানসী মিশ্ৰ**



শৰতৰ ৰাতি আকাশৰ হাঁহি
দেখিছানে কেতিয়াবা
এৰা, শৰতৰ আকাশতো থাকে
এটি মিঠা হাঁহি, হয়তো তোমাৰ
ওঠৰ ফাঁকেদি বিৰিঙি অহা
সলাজ হাঁহিটোৰ দৰেই এই হাঁহি
ৰাতিৰ আকাশৰো এক পৰিধি আছে
আছে আকাশৰ নিজৰ সীমনা
হয়তো সেই পৰিধিৰ মাজতে আছে
সুখ দুখ আৰু কাৰোবাৰ সতে
মিঠা ভালপোৱা, আকাশেও লব জানে
ভালপোৱাৰ আমেজ, ছবি আঁকিব জানে
এখন সঁচা হৃদয়ৰ, হয়তো তোমাৰ মোৰ দৰেই
আৰু আকাশে, আকাশেও সপোন দেখে
সুদূৰ সোণালী দিনৰ, যত দেখা পায়
শৰতৰ আকাশৰ বুকুত সেউজীয়া হাঁহি।

# কবিতাৰ শিতান

## শুভ কামনা


**ফখৰুদ্দিন আহমেদ**



সুৰুযে দেও দি নচা
সেই নদীখনত
প্ৰেমিক চৰাই হে
হাঁহিটো
উপহাৰ হৈ জিলিকি উঠিছিল
শুভ কামনাৰ
সেউজীয়াৰ পয়োভৰ
ওঠত তোমাৰ
গানৰ শব্দ হৈ নিজৰা হৈ
বৈ আহিছিল
মসৃনতাৰ দলিচাখনলৈ
প্ৰেমৰ পথাৰত
মাতাল ৰাতিবোৰে
সুবাসিত কৰি তুলিছিল
কুলি কেতেকীৰ
কোমল কলিজা
প্ৰেমে মোক ৰিঙিয়াই মাতিছিল
আয়ুসৰ হেপাহ লৈ
হেপাহবোৰৰ শুভ কামনাত
জীপাল হৈ উঠিছিল মোৰ
ষষ্ঠ ইন্দ্ৰিয়
সেয়ে আজিও মই ৰঙিয়াল হও
সেউজীয়া প্ৰেমৰ পথাৰত
এটি সপোনৰ পমখেদি

## প্ৰত্যাশা

**প্ৰসেনজিৎ গোস্বামী**



মই বৰষুণ হ'ম
যদি তুমি পথোৱা
মই হেৰাই যাম
যদি তুমি বিচাৰা
মই অশ্ৰু হ'ম
যদি তুমি কান্দা।
মই বন্ধুৰ দৰে বন্ধু হ'ম
যদি তুমি মোক বুজা

# শিশুৰ অপৰাধ প্ৰৱণতা

**পাৰুল বৈশ্য**
**গুৱাহাটী**

বুকু ক'পি যোৱা ঘটনা,
কৰ'না ভাইৰাছে মানুহৰ প্ৰাণ
কাঢ়ি নিয়াৰ লগতে, অনলাইন ক্লাচে শিশুৰ হাতত তুলি দিলে
মোবাইল আৰু ইন্টাৰনেট সেৱা।
কলিয়াবৰ কাণ্ডই ক'পাই
গৈছে ৰাজ্য।
অশ্লীল ভিডিঅ' নচোৱাৰ
অপৰাধত, কন্যা শিশুকে হত্যা ?
ছয়মাহ আগতে মাতৃহাৰা হোৱা
কণমানি জনী, আইতাকৰ কোঁচত
শুই সাধুকথা শুনাৰ বয়সতে
নৃশংস ভাৱে হত্যা কৰিলে দানৱৰূপী কেইজনমান শিশুৱে।
উহ:এয়াই নেকি আধুনিকতা আৰু ডিজিটেল যুগৰ শেষ পৰিণতি।
শিলৰ দ'মত বহি পৰ্ণ ভিডিও
চাবলৈ টানি অনা কণমানি
শিশু কন্য জনীয়ে যেতিয়া
অসন্মতি প্ৰকাশ কৰিলে,
তেতিয়া, বিবেকহীন শিশু কেইজনে, শিলেৰে মাৰি মাৰি
হত্যা কৰি, শৌচাগাৰত পেলাই
থৈ যোৱা দৃশ্য, কোনে জানো
কৰিব পাৰিব সহ্য।
পৃথিবীলৈ আহি এটা চুক
ভালকৈ নেদেখাকৈ, ল'ৰা শিশুৰ
হাতত কন্যা শিশু হত্যা-----??
গাৰ নোম শিহৰি যোৱা দৃশ্য।
সেয়েহে সমাজ সচেতন ব্যক্তি,
অভিভাবক, সকলোকে কৰিছো
অনুৰোধ, শিশু সকলক এই
অপৰাধ প্ৰৱণতা ৰ পৰা বচাওঁক।
নহ'লে সমাজ খন অধ:পতনৰ
পথেৰে গৈ, সততা, মানৱতা,
সুষ্ঠ মানসিকতা, সু- মানৰ সম্পদ,
এই শব্দবোৰ বিস্মৃতিৰ গৰ্ভত বিলীন হৈ গ'লে সমাজ
বুলিবলৈ একো নাথাকিব।

# খাচাত বন্দী চৰে

**মঞ্জু মজুমদাৰ বৰ্মন**

মাই তোক লেগি আজি
বৰকে মনত পইছি।
তই ভয় নাখবি
মোক মাৰা-ধৰা কৰা নাই,
ঘৰত থাকাতকে এতে ভালকে আছু।
তিনসন্ধ্যা পেট ভৰে খাবা পাইছু
ভাল কাপুৰ পিন্ধবা পাইছু
আকো বয়া পো নাই।
বইৰহাণ আইহলি ঘৰোত
টুপনি মাইৰবা পাৰা নাচিলু
এতে ঘৰৰ ভিতৰত থাইকলি
ৰ'দ কি বইৰহাণ কি গমে নাপাউ
অ মাই, তথাপিও দুখুন মোৰ মনটু
এতে থিত লাগাবা পাৰা নাই।
কামত কষ্ট ও পাৰা নাই,
কুকুৰ কেইটাক ভালকে
চাফ-চিকুণ কৰি ৰাইখবা লাগে
খাবাৰ সময়ত খাবা দিবা লাগে
হাগাবা, মুতাবা নিয়া
সেখনি কিবা কাম হ'ল না?
অ মাই, গাউখানৰ কথা, লগৰ ছলিগেলাখানক লাগি
হমাৰে হমাৰে মনত পৰে এ।
বেটু আৰু সৰুমাইক ইস্কুলত যাবা দিবি
মোৰো ইস্কুলত যাবা বৰ মন যায় অ,
এতে সুখত থাইকলিও কিবা
খাচাত বন্দী চৰে হান লাগে
অ মাই, ইবাৰ ধানখিনি বানে
নামেইল্লি মই ঘৰত যাম দেৰ
ঘিউ, মৌ খাই থাইকলি ও
খাচাত বন্ধ চৰে হান হৈ থাইকবা নৰু ও মাই।

**(নলবাৰী অঞ্চলৰ থলুৱা ভাষাত লিখিবলৈ চেষ্টা কৰিছোঁ। ভুল হ'লে ক্ষমা বিচাৰিছোঁ।)**

Assam State Disaster Management Authority

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

মহামাৰীয়ে আমাৰ জীৱনবোৰ
অস্বাভাৱিক কৰি তুলিলে
অজস্ৰজন ভুক্তভোগী হ'ল
বহু লোকে হেৰুৱালে আপোনজনক

# মনোজ্ঞ MANOJNA

Methodological Application of Neuroscientific Options for Judicious Natural Adjustment


আৱেগিক আৰু মানসিক স্বাস্থ্যজনিত যিকোনো সমস্যা
সমাধানৰ বাবে টেলি-পৰামৰ্শ প্ৰদানৰ ব্যৱস্থা

সময় ঃ পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ

সহায়ৰ বাবে ডায়েল কৰক
ট'ল ফ্ৰী নম্বৰ ১৪৪১০

তলত লিখিত ধৰণৰ বিষয়সমূহক লৈ
মানসিক উদ্বিগ্নতাত ভুগি আছে নেকি ?

- সাহায্য শিবিৰ বা অন্যান্য আশ্ৰয় স্থলত থাকিবলগীয়া হোৱাৰ উদ্বিগ্নতা
- বৰ্তমান বা ভৱিষ্যতৰ পৰিস্থিতিক লৈ অধিক চিন্তা
- ক'ভিড-১৯ত আত্মীয় বা বন্ধুক হেৰুৱাৰ বেথা
- উপাৰ্জন আৰু জীৱিকা হেৰুওৱাৰ সংশয়



অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা
প্ৰাধিকৰণৰ এক পদক্ষেপ

পঞ্জীয়ন কৰক :
assam.mygov.in

/mygovassam

JANASANYOG- 2105/21

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow Us /@diprassam https://dipr.assam.gov.in/

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

৬ কাতি, ১৪২৭ চন Rongili Barta, Date of Publication--24 OCTOBER, 2021

# নিঠৰুৱা

আমি দুটা মানুহহে, চলি যাম । আমি নিঠৰুৱা হোৱা নাই নহয় ।” দীপকে অনা টকাৰে সিহঁত দুটা প্ৰাণী ভালদৰেই চলিছিল । ককাকে দিয়া পথাৰৰ আধি খেতিৰ ধানো আহিছিল ঘৰলৈ । সীমান্ত ৰাজখোৱাই নতুনকৈ চাহৰ হোটেল এখন খুলি বিশ্বাসী দীপকক কেছত বহুৱাইছিল । আমদানি কেইটামান বাঢ়িছিল । সুচিত্ৰাই চাই মেলি টীয়কৰ ফালৰ দুখীয়া পৰিয়ালৰ ছোৱালী বৰ্ণালীক দীপকলৈ বিয়া পাতি আনিছিল । নাতি অকণৰো মুখ দেখিবলৈ পাইছিল সুচিত্ৰাই । প্ৰাচুৰ্যৰ নহ'লেও সুখৰ পোহাৰ বহিছিল ঘৰ খনত । বৰ্ণালীৰ উচ্ছল কথা-বতৰা, কেঁচুৱা ল'ৰাকণৰ হাঁহি, দীপকৰ সন্তুষ্টিভৰা মুখ, সুচিত্ৰাক আৰু কি লাগে ইয়াতকৈ। হিয়া উবুৰিয়াই আশীৰ্বাদ দিছিল তাই পুত্ৰ-বোৱাৰী আৰু নাতিক । কিন্তু ভবামতে সকলো হোৱা হ'লে ভাল আছিল । নহ'ল, ঈশ্বৰে বেলেগ কিবা এটাহে পৰিকল্পনা কৰি আছিল ।

বৰ্ণালীৰ একান্ত ইচ্ছাত নাতি অমৃতৰ অন্নপ্ৰাসন পতা হৈছিল সাঁচতীয়া টকা অলপ খৰচ কৰি, কিছু আড়ম্বৰপূৰ্ণভাৱে । সীমান্ত ৰাজখোৱাও আহিছিল দামী দামী উপহাৰ লৈ ।

“হেৰি আপোনাৰ মালিকজন বৰ দিলদৰিয়া মানুহচোন ! অতসোপা পুতলা আনিছে সোণটোলৈ । খেলনা বস্তু বোৰ চাওকচোন, অলপ দামী নহ'ব দেই ।” আনন্দত বৰ্ণালীয়ে কৈ উঠিছিল ।

“ছাৰ বৰ ভাল মানুহ । লাগে বুলি ক'লে বিমুখ কৰা নাই কোনোদিন । পইচা-পাতিৰ ক্ষেত্ৰতো ধৰি নাথাকে তেখেতে ।” আহ্লাদিত হৈ দীপকেও কৈ উঠিল । সেইজন মানুহৰ ওচৰত কৃতজ্ঞ সি । সেইজন মানুহৰ কাৰণেই সি এতিয়া এখন হোটেলৰ মেনেজাৰ ।

“হাতখন দেখি মই বিচুৰ্তি ! ঔ আই, যি সোপাহে সোণৰ আঙুঠি পিন্ধিছে !”

“সোণ বাদেই দিয়া । সেই পাথৰবোৰৰ এটা এটাৰ দামেই কিজানি পঞ্চাশ-ষাঠি হাজাৰ টকা ।”

আশ্চৰ্যত মুখ মেল খাই যায় বৰ্ণালীৰ । ইমান প্ৰাচুৰ্য । দীপকৰ ঘৰখনেই তাইৰ কাৰণে বহুত ধনী মানুহৰ ঘৰ । এসাজ খাই এসাজলৈ চিন্তা কৰিব লগীয়া পৰিয়ালৰ ছোৱালী তাই ।

সুচিত্ৰাও কৃতজ্ঞ সীমান্ত ৰাজখোৱাৰ ওচৰত,

“হয় দে, মানুহজন বৰ ভাল । গপ-ভেমো নাই । আমাৰ নিচিনা মানুহে মাতোতেও আহিছে যে আকৌ । বৰ তাৰিছে দে আমাক । ঈশ্বৰে ভালে-কুশলে ৰাখক তেখেতক ।” দীপকৰ ছাৰ ঘৰখনত বৰ প্ৰিয় হৈ পৰিল হঠাতে । আহোতে-যাওঁতে তেঁও সিহঁতৰ ঘৰত সোমাই কণমানিটোক চকলেট, মিঠাই আৰু কেতিয়াবা পাঁচশ টকাৰ নোট পৰ্যন্ত দি যাবলৈ ল'লে ।

কিন্তু কোলাৰ কেঁচুৱা বিছনাত এৰি এদিন বৰ্ণালী নোহোৱা হ'ল । তাই পলাই গ'ল দীপকৰ ছাৰ সীমান্ত ৰাজখোৱালৈ । দীপকে হোটেলৰ কামটো এৰি দিলে । তাৰ পত্নীক পলুৱাই নিয়া মানুহ জনৰ তলত সি কেনেকৈ কাম কৰে । ঘৰখন জহমাৰ দিলে । পুতেকৰ মুখখন দেখিলেই সুচিত্ৰাৰ শোকে খুন্দা মাৰি ধৰে । এদিন ছাৰৰ গাড়ীত বহি যোৱা বৰ্ণালীক দেখি আহি সুচিত্ৰাৰ ধৈৰ্য্যৰ বান্ধ ছিগিল,

“কাৰ কাৰণে দুখ কৰি আছোঁ আমি ? কাৰ কাৰণে ? যাৰ কাৰণে আমি ইমান দুখত মজিছোঁ তাই দামী গাড়ীত উঠি মস্তি মাৰি ফুৰিছে । কণমানি ল'ৰাটোলৈও তাইৰ মনত পৰা নাই । টকাৰ কাৰণেই তাই পলাই গ'লটো, হো, নে এইখন পাছবুক, মায়ে দিয়া টকা সত্তৰ হাজাৰ আছে ইয়াত । ব'ল, আমি নিজাকৈ দোকান খোলোঁ । ইমান নিঠৰুৱা হোৱা নাই এতিয়াও । ল'ৰাকণলৈ ভাব ।”

দীপকে কলেজৰ ওচৰত সৰু ৰুম এটা ভাড়া লৈ জেৰক্স মেশ্বিন এটা কিনি দোকান বহুৱালে । লগতে দুই-এপদ ষ্টেশ্যনেৰীও ।

সুচিত্ৰাই ছোৱালী এজনীও চালে পুতেকলৈ, ওচৰৰে সদায় দেখি থকা ছোৱালী । জানে সিহঁতৰ সকলো কথা । কিন্তু দীপকে বিয়া নাপাতে।

“নাই, নহ'ব মা, মোক ইমানেই আটিছে । তুমি আছা, ল'ৰাটো আছে । হৈ যাব । নাপাতো বিয়া আকৌ । প্লীজ, মোক জোৰ নকৰিবা ।”

“মই সদায় নাথাকোঁ । সেইজনীৰ কাৰণে তই দেবদাস হৈ মৰিবলৈ কি দৰকাৰ ? ভাল ছোৱালী এজনী চাইছোঁ তোলৈ । সব ছোৱালী বৰ্ণালীৰ নিচিনা নহয় নহয় ।”

মাকৰ জেদৰ আগত সৈমান হ'বলগা হ'ল দীপক । আকৌ ক্ৰমাৎ চিজিল লাগি আহিল ঘৰখন । মুন্মী বৰ মৰমলগা ছোৱালী । মাক-পুতেক আৰু দীপকৰ প্ৰথমা পত্নীৰ সন্তানক মৰমেৰে আৱৰি ৰাখিলে তাই । দীপকৰ কম উপাৰ্জনেৰেই তাই সুন্দৰকৈ জোৰা মাৰে খৰছ-পাতি । আকালো নাই, ভঁড়ালো নাই । সেইবুলি অভিযোগো নাই তাইৰ । দেখি-শুনিয়েই বিয়া হৈছে তাই । জানে মৰমহে দিব পাৰিব সেই ঘৰখনে, সৰগৰ তৰা এটা বিচাৰিলে দিব নোৱাৰে ।

তাইৰ ল'ৰাটোৰ এবছৰীয়া জন্মদিনটোও তাই অনুষ্টুপীয়াকৈ পাতিলে । নিজে কেক এটা সাজু কৰিলে প্ৰেছাৰ কুকাৰতে, অভেন বিচাৰি তাই দীপকক আমনি নকৰে । সুচিত্ৰাই গোঁসাই ঘৰত প্ৰসাদ-পায়স আগবঢ়ালে । ওচৰৰ ল'ৰা-ছোৱালী কেইটামানক মাতি জন্মদিন পাতিলে তাই। দীপকক কয় তাই,

“জন্মদিনৰ নামত টকা বেছি খৰছ কৰিব নালাগে । তাতকৈ ৰেকাৰিং এখন খুলি মাহে মাহে থৈ যাব অলপ টকা তাৰ আৰু ডাঙৰ ল'ৰা অমৃতৰ নামত । স্কুলত এডমিশ্যন ল'বৰ সময়ত কামত আহিব ।” সুচিত্ৰাই অন্তৰেৰে আশীৰ্ব্বাদ দিয়ে তাইৰ লখিমী বোৱাৰীজনীক । ঈশ্বৰে কিন্তু সিদ্ধান্ত লৈ থৈছে সুচিত্ৰাৰ সুখত অধিকাৰ নাই বুলি । ৰাতিপুৱা ন বজাত ভাত খাই দোকানলৈ ওলাই যোৱা ল'ৰাটো মৃতদেহ এটা হৈ দুপৰীয়াতে ঘূৰি আহিল । কলেজৰ ৰাস্তাতে ডাম্পাৰ এখনে মহটিয়ালে স্কুটীত গৈ থকা দীপকক । স্পট ডেথ । এতিয়া সেই ডাম্পাৰৰ গৰাকীয়েই দিবলৈ আহিছে দীপকৰ প্ৰাণৰ মূল্য । দীপকৰ মৃত্যুত নিঠৰুৱা কোন হ'ল, কাৰ একাউণ্টত পইচা দিব লাগিব, কিমান দিব লাগিব তাৰে গৰমিল চলিছে । টকা সুচিত্ৰাক নালাগে । সেয়ে নিঠৰুৱাৰ লিষ্টত তাইৰ নাম উঠা নাই । কোন মাকে ল'ব পুতেকৰ মৃতদেহৰ দাম ! কিন্তু একমাত্ৰ পুত্ৰক হেৰুওৱা পয়ষষ্ঠি বছৰীয়া বিধৱা মাকজনী কেনেকৈ নিঠৰুৱা নহয় ?

# লক্ষ্মী পূজা

হিমাদ্ৰী বৰকটকী,
শিৱনগৰ, নগাঁও



শংখ বজাই
মাক ঘৰ মাতিছোঁ,
সুগন্ধি ধূপজ্ব লাই
আসন পাতিছোঁ,
বন্তি জ্বলাই
বৰন কৰিম তোমাক
আলোকিত কৰি ৰাখা
প্ৰতিটো ঘৰ।

লক্ষ্মী পূজা দুৰ্গা পূজাৰ পিছতেই পূৰ্ণিমা তিথিত হয়। সেই তিথিক পূৰ্ণিমা তিথি বুলি কোৱা হয়। কাতি মাহত সাধাৰণতে লক্ষ্মী পূজা হয়। লক্ষ্মী দেৱী হ'ল বিষ্ণুৰ পত্নী। তেওঁ ধনৰ অধিস্থাত্ৰি দেৱী। লক্ষ্মী পূজাৰ দিনা ঘৰ দুৱাৰ পৰিস্কাৰ কৰি (চাফ-চিকুন) লক্ষ্মীক আদৰা হয়। চাকি-বন্তি, ধূপ-ধূনা দিনা দিয়া হয় সকলোৰে ঘৰতে। আমপাতৰ মালা দুৱাৰত দিয়া হয়। ঘটত চাউল আৰু আমদালি দি সেন্দুৰ দিয়া হয়। দুৱাৰত সেন্দুৰৰ ফোঁট দিয়া হয়। বিভিন্ন দ্ৰব্য যেনে নাৰিকল লাৰু, মিঠাই, চিৰা-নাৰিকল, পায়স, নকুলদানা, ফল-মূল, মাহ-প্ৰসাদ লক্ষ্মী মাৰ ওচৰত প্ৰসাদ হিচাপে দিয়া হয়। ঘৰত আলপনা অঁকা হয়। ধানৰ মুঠি লক্ষ্মী দেৱীৰ ওচৰত দিয়া হয়। সন্ধিয়া লক্ষ্মীক আৰাধনা কৰা হয় আৰু “লক্ষ্মী পাঁচালি” পঢ়া হয়। শেষত লক্ষ্মী দেৱীৰ ওচৰত অঞ্জলি দিয়া হয়। পূজাৰ অন্তত সকলোৰে মিলি প্ৰসাদ গ্ৰহণ কৰে।

শেষত “মা লক্ষ্মীৰ” আৰাধনাই কঢ়িয়াই আনক সুখ-সমৃদ্ধি আৰু ভোগৰ সম্ভাৱনা। সকলোলৈ লক্ষ্মী পূজাৰ শুভেচ্ছা থাকিল।

# পৰীক্ষাৰ ফলাফল

তানিয়া মধুকল্য,
বিহপুৰীয়া, লক্ষীমপুৰ

আজি পুৱা ৯ বজাত অভিনৱৰ মেট্ৰিকৰ ফলাফল ঘোষণা হ'ব। অভিনৱ পঢ়াত বৰ চোকা নাছিল। সেয়েহে অভিনৱৰ মাক বৰ চিন্তিত হৈ পৰিছিল। দেউতাকে তাৰ পঢ়া-শুনাৰ কথা অলপো চিন্তা কৰা নাছিল।

সময় ঠিক ৯ মান বাজিল। মুকলি হ'ল ফলাফল। অভিনৱে ডিষ্টিংছন পালে। সি তাৰ ৰিজাল্টৰ কথা দেউতাকক জনালে। দেউতাকৰ চকুত চকুপানী বিৰিঙি উঠিল। দেউতাকে তাৰ হাতত ১০, ০০০ টকা এটা তুলি দি ক'লে “তুমি এই টকাকেইটাৰে এটা ভাল ম'বাইল ফোন কিনি ল'বা।”

ঠিক পিছদিনাই অভিনৱ এখন ম'বাইলৰ দোকানলৈ গ'ল। দোকানখনৰ বাহিৰতেই এগৰাকী অসহায় বৃদ্ধ মহিলা বহি আছিল। তেওঁ অভিনৱক দেখি ক'লে” বোপাই মোক অলপ সহায় কৰিবানে?” সি ক'লে “মই পাৰিলে নিশ্চয় কৰিম।” তেতিয়া তেওঁ ক'লে “মোক চিকিৎসাৰ বাবে অলপ টকাৰ প্ৰয়োজন হৈছে। তুমি মোক সহায় কৰিবানে?” সি ক'লে, নিশ্চয় পাৰিম।” তেতিয়া সি তাৰ দেউতাকে ম'বাইল কিনিবলৈ দিয়া টকা কেইতা মহিলা গৰাকীক দি দিলে। তেওঁ ক'লে “ঈশ্বৰে তোমাৰ মংগল কৰক!” সি ঘৰলৈ ওভতি আহিল। দি মাক-দেউতাকক সম্পূৰ্ণ ঘটনাটোৰ বিষয়ে ক'লে। তেতিয়া তাৰ মাকে তাক সাৱতি ধৰিলে।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286